শিক্ষাদানৰ স্তৰ (Phases of Teaching) ঃ

পূৰ্ব-কাৰ্যকৰী, পাৰস্পৰিকতা আৰু শিক্ষণোত্তৰ স্তৰত শিক্ষকৰ ভূমিকা (Role of Teacher's in Pre-Active, Inter-Active and Post- Active, Phases of Teaching) ঃ

শিক্ষাদান কাৰ্যৰ সফলতা নিৰ্ভৰ কৰে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ সক্ৰিয় ভূমিকাৰ ওপৰত। শিক্ষণ কাৰ্য তেতিয়াহে সফল হোৱা বুলি ক'ব পাৰি যেতিয়া ইয়াত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী উভয় পক্ষই সক্ৰিয়তাৰে অংশগ্ৰহণ কৰে। নিষ্ক্ৰিয়তাই শিক্ষণ প্ৰক্ৰিয়াত

Scanned with OKEN Scanner

প্ৰতিবন্ধকতা আনে। শিক্ষাদান কাৰ্যৰ ফলপ্ৰসূতা শিক্ষকসকলৰ প্ৰণালীবদ্ধ পৰিকল্পনাৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ কৰে। শিক্ষকজনে শ্ৰেণীকক্ষত শিক্ষাৰ্থীসকলক বিষয়বস্তুৰ জ্ঞান দিয়াৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মনোবিজ্ঞানসম্মত জ্ঞানো থকা দৰকাৰ। বৰ্তমানৰ শৈক্ষিক প্ৰযুক্তিসমূহো শিক্ষকসকলে ব্যৱহাৰ কৰিব লাগিব। শিক্ষকসকল হৈছে জীৱন্ত মানৱ অৰ্থাৎ শিক্ষাৰ্থীসকলক মানুহ হিচাপে গঢ়ি তুলিবৰ পৰা সুদক্ষ কলাকাৰ। শিক্ষকসকলৰ প্ৰণালীবদ্ধ আৰু সুপৰিকল্পিত শিক্ষাদানে ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰে।

শিক্ষকসকলে শিক্ষাদানৰ বেলিকা বিভিন্ন পৰ্যায়ত বিভিন্ন কাৰ্য অবলম্বন কৰিবলগীয়া হয়। শিক্ষাবিদ Jackson ৰ মতে, শিক্ষাদানৰ প্ৰধান তিনিটা স্তৰ থাকে—

(ক) পূৰ্ব-কাৰ্যকৰী স্তৰ (Pre-Active Stage)

(খ) পাৰস্পৰিকতাৰ স্তৰ (Inter-Active Stage)

(গ) পৰৱৰ্তী ক্ৰিয়াশীল বা শিক্ষণোত্তৰ স্তৰ (Post-Active Stage)

শিক্ষাদান সম্পৰ্কত থকা বিভিন্ন স্তৰসমূহ তলত বিতংকৈ বৰ্ণনা কৰা হ'ল—

(ক) **পূৰ্ব-কাৰ্যকৰী স্তৰ (Pre-Active Stage) ঃ** শিক্ষাদানৰ প্ৰথম স্তৰটোক পৰিকল্পনাৰ স্তৰ বুলি কোৱা হয়। শিক্ষকে শ্ৰেণীকক্ষত শিক্ষাদান কৰাৰ আগতে শ্ৰেণীকক্ষত কৰিবলগীয়া সকলো কাম পৰিকল্পনা কৰিব লাগিব। শ্ৰেণীত ব্যৱহাৰ কৰিবলগীয়া সঁজুলি, শিক্ষাদান পদ্ধতি আদি আগতীয়াকৈ পৰিকল্পনা কৰা দৰকাৰ। একেটা শ্ৰেণীতে বিভিন্ন ধৰণৰ ছাত্ৰ-ছাত্ৰী থাকে। গতিকে, ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তিগত বৈষম্যৰ প্ৰতি দৃষ্টি ৰাখি শিক্ষা পৰিকল্পনা কৰিব লাগে।

পূৰ্ব-কাৰ্যকৰী স্তৰৰ কেইটামান গুৰুত্বপূৰ্ণ দিশসমূহ তলত চমুকৈ বৰ্ণনা কৰা হ'ল—

(১) **লক্ষ্য নিৰ্ধাৰণ (Determination of Aims) ঃ** লক্ষ্য নিৰ্ধাৰণেই হ'ল পূৰ্ব-কাৰ্যকৰী স্তৰৰ মুখ্য কাৰ্য বা পদক্ষেপ। শিক্ষা হ'ল এক শৃংখলিত পৰিৱেশৰ মাজত প্ৰদান কৰা এক প্ৰণালীবদ্ধ প্ৰক্ৰিয়া, পূৰ্ব নিৰ্ধাৰিত লক্ষ্যৰ অবিহনে শিক্ষাৰ আচল তাৎপৰ্যৰ বিলুপ্ত সাধন হ'ব পাৰে। পূৰ্ব নিৰ্ধাৰিত লক্ষ্যই শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী দুয়োকে নিজ নিজ কাৰ্য সম্পাদনৰ ক্ষেত্ৰত প্ৰেৰণা যোগায়। সেয়েহে পৰিকল্পনাৰ প্ৰথম পৰ্যায়তে শিক্ষাৰ লক্ষ্য নিৰ্ধাৰণ কৰিব লাগে।

(২) **অধ্যয়নৰ বিষয়বস্তু স্থিৰকৰণ (Deciding the Subject Matter**

Scanned with OKEN Scanner

of Study)ঃ লক্ষ্য নির্ধাৰণ কৰাৰ পাছত নির্ধাৰিত লক্ষ্যত উপনীত হ'ৱৰ বাবে অধ্যয়নৰ বিষয়বস্তু স্থিৰকৰণ কৰা উচিত। বিষয়বস্তু নির্বাচন কৰোতে ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহ, ৰুচি, অভিৰুচি, সামৰ্থ, সম্ভাৱনীয়তা আদিৰ ওপৰত গুৰুত্ব দিব লাগে। শিক্ষাৰ বাঞ্ছিত লক্ষ্যত উপনীত হ'বলৈ দৈহিক, মানসিক, সামাজিক, আবেগিক, নৈতিক, আধ্যাত্মিক ইত্যাদি দিশৰ ওপৰত গুৰুত্ব দি অধ্যয়নৰ বাবে বিষয় নির্বাচন কৰা উচিত।

(৩) **উপস্থাপনৰ বাবে বিষয়সূচী ক্ৰম অনুসৰি প্ৰস্তুত কৰা (Sequential Planning of the Contents for Presentation)** ঃ বিষয়বস্তু নির্ধাৰণ কৰাৰ পাছত সেইসমূহ সজাবৰ বাবে শিক্ষাদানৰ মূল সূত্ৰ বা বিধিসমূহ মানি চলিব লাগিব। বিষয়বস্তুৰ লগত সংগতি ৰাখি ক্ৰমে সহজৰ পৰা জটিললৈ, জনাৰ পৰা নজনালৈ, অস্পষ্টতাৰ পৰা স্পষ্টলৈ অগ্ৰসৰ হ'ব লাগে। বিষয়বস্তু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে যাতে মনোবিজ্ঞানসম্মত হয় তালৈ লক্ষ্য কৰা উচিত।

(৪) **শিক্ষাদানৰ কৌশল সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ (Deciding the Use of Strategies of Teaching)** ঃ সফল শিক্ষাদান বহু পৰিমাণে নির্ভৰ কৰে ইয়াৰ কৌশলৰ ওপৰত। ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদানৰ ক্ষেত্ৰত শিক্ষাদান কৌশলে বহিঃশক্তি হিচাপে কাম কৰে। বিষয়বস্তুৰ লগত সংগতি ৰাখি উপযুক্ত কৌশল ব্যৱহাৰ কৰিলেহে ছাত্ৰ-ছাত্ৰীসকল অভিৰুচিত হয়। সেয়েহে, শিক্ষাদানৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পৰা বিভিন্ন কৌশলসমূহ পূৰ্বতে থিৰাং কৰি ল'ব লাগে।

(৫) **কৌশলসমূহৰ শ্ৰেণীবদ্ধ বিকাশ সাধন (Systematic Development or Distribution of Teaching Strategies)** ঃ শিক্ষকজনৰ শ্ৰেণীকক্ষত শিক্ষণৰ কৌশলসমূহ উপযুক্তভাৱে প্ৰয়োগৰ জ্ঞান থকা উচিত। শিক্ষণৰ প্ৰাৰম্ভিক স্তৰত কোনটো কৌশল অৱলম্বন কৰিব, বিভিন্ন সঁজুলিসমূহ কোনটো সময়ত প্ৰদৰ্শন কৰিব বা কেনে ধৰণেৰে প্ৰশ্ন অৱতাৰণা কৰিব সেই সম্পৰ্কে শিক্ষকজনে প্ৰণালীবদ্ধভাৱে শ্ৰেণীকৰণ কৰিব লাগে। পাঠদানৰ কোনটো সময়ত ব্লেকবৰ্ড ব্যৱহাৰ কৰিব, এনেধৰণৰ প্ৰণালীবদ্ধভাৱে শিক্ষণৰ কৌশলসমূহৰ ব্যৱহাৰৰ জৰিয়তে শিক্ষকসকলৰ যোগ্যতাৰো প্ৰকাশ পায়।

Scanned with OKEN Scanner

(৬) শিক্ষণৰ সহ-সম্বন্ধ স্থাপন (Adopting the Co-relative Method of Teaching) ঃ শিক্ষকে বিভিন্ন শিক্ষণীয় বিষয়সমূহৰ মাজত সহসম্বন্ধ স্থাপন কৰিবৰ বাবে পূৰ্বতেই পৰিকল্পনা কৰিব লাগে। শিক্ষণীয় বিষয়সমূহে বাস্তৱ জীৱনৰ ক্ষেত্ৰত কেনেদৰে সামঞ্জস্য ৰক্ষা কৰে সেইবোৰ বিষয়েও শিক্ষকে ছাত্ৰ-ছাত্ৰীক সহ-সম্বন্ধৰ জৰিয়তে দেখুৱাব লাগে।

মুঠতে শিক্ষাদানৰ প্ৰথম স্তৰ হ'ল প্ৰস্তুতিৰ স্তৰ আৰু ইয়েই শিক্ষাদান কাৰ্য আগুৱাই নিয়াত সহায় কৰে।

(খ) পাৰস্পৰিকতাৰ স্তৰ (Inter-Active Stage) ঃ শিক্ষাদানৰ পাৰস্পৰিকতাৰ স্তৰ হৈছে এক গুৰুত্বপূৰ্ণ স্তৰ। শিক্ষকে শ্ৰেণীকোঠাত প্ৰৱেশ কৰাৰ পৰা আৰম্ভ কৰি শ্ৰেণীকোঠাৰ পৰিৱেশ নিয়ন্ত্ৰণ, ছাত্ৰ-ছাত্ৰীৰ মনোযোগ আকৰ্ষণ, অভিবোচনৰ সৃষ্টি কৰি সকলো দিশ ইয়াত নিহিত কৰিব লাগে। শ্ৰেণীকক্ষৰ সকলোবিলাক দিশ পৰ্যবেক্ষণ কৰি শ্ৰেণীকোঠা নিয়ন্ত্ৰণত ৰাখি শিক্ষকে শিক্ষাদান কাৰ্য আগবঢ়াই নিব লাগে।

পাৰস্পৰিকতাৰ স্তৰৰ কেইটামান গুৰুত্বপূৰ্ণ দিশসমূহ তলত চমুকৈ বৰ্ণনা কৰা হ'ল—

(১) স্তৰটোত কৰিব লগা কাৰ্যসমূহ (Performance of Activities in the Phase) ঃ শ্ৰেণীকোঠাত প্ৰৱেশ কৰাৰ পিছত শিক্ষকজনে সামগ্ৰিকভাৱে শ্ৰেণীকোঠাৰ সামগ্ৰিক পৰিৱেশটো অধ্যয়ন কৰিব লাগে। শিক্ষকে শ্ৰেণীত প্ৰৱেশ কৰাৰ পিছত শ্ৰেণীটোৰ আকাৰ, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা, মনোযোগী আৰু অমনোযোগী শিক্ষাৰ্থীৰ সংখ্যা আদি সম্পৰ্কে স্পষ্ট ধাৰণা কৰি ল'ব লাগে। কিয়নো শিক্ষাৰ্থীসকলৰ মানসিকতাৰ ওপৰত শিক্ষকৰ দক্ষতা যথেষ্ট পৰিমাণে নিৰ্ভৰশীল।

(২) মনোযোগ আৰ্কষণ (Seizing up Attention) ঃ প্ৰথমতে শ্ৰেণীকোঠাৰ সামগ্ৰিক পৰিৱেশ আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা সম্পৰ্কে জ্ঞাত হোৱাৰ পাছত প্ৰণালীবদ্ধভাৱে ছাত্ৰ-ছাত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিবলৈ বিভিন্ন পদক্ষেপ ল'ব লাগে। ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তিগত বৈষম্যৰ প্ৰতি দৃষ্টি ৰাখি তেওঁলোকক অভিৰুচিত কৰিবলৈ চেষ্টা কৰিব লাগে। ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদানৰ পূৰ্বে মনোযোগ আকৰ্ষণ কৰি শাৰীৰিক আৰু মানসিকভাৱে প্ৰস্তুত কৰি তুলিব লাগিব।

(৩) পূৰ্বজ্ঞানৰ পৰীক্ষা (Test the Previous Knowledge) ঃ শিক্ষাদান

Scanned with OKEN Scanner

আৰম্ভ কৰাৰ আগতেই শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলৰ পূৰ্বজ্ঞান সম্পৰ্কে বিভিন্ন প্ৰশ্ন অৱতাৰণা কৰি বুজ ল'ব লাগে। নিৰ্দিষ্ট বিষয় সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলৰ কিমানখিনি জ্ঞান আছে সেই সম্পৰ্কে শিক্ষকে জানি লৈ শিক্ষা প্ৰদানৰ দিশত আগবাঢ়িব লাগে। শিক্ষকজনে পাঠদানৰ পূৰ্বতে ছাত্ৰ-ছাত্ৰীসকলৰ পূৰ্বজ্ঞান সম্পৰ্কে জানি লৈ প্ৰদান কৰা শিক্ষা বেছি ফলপ্ৰসূ হ'ব।

(৪) **পাঠ্য উপাদান উপস্থাপন (Presentation of the Lesson Content) ঃ** শিক্ষকসকলে পাঠ্য বিষয়সমূহ উপস্থাপন কৰোতে বিভিন্ন ধৰণৰ শাব্দিক আৰু অশাব্দিক কৌশলসমূহ প্ৰয়োগ কৰি শিক্ষাদান কাৰ্য্য আগবঢ়াই নিব লাগে। শিক্ষকসকলে বিষয়বস্তুৰ বৰ্ণনা, ভাষাৰ প্ৰয়োগ ইত্যাদিৰ ক্ষেত্ৰত সৰ্তক হোৱা উচিত। ইয়াৰ উপৰিও শিক্ষকসকলে অশাব্দিক কৌশল যেনে— থিয় হোৱাৰ ভঙ্গীমা, শাৰীৰিক অংগী-ভংগী, ব্লেকবোৰ্ড প্ৰয়োগ, দৃশ্য-শ্ৰাব্য সঁজুলিৰ ব্যৱহাৰ আৰু প্ৰণোদনৰ কৌশল আদি ব্যৱহাৰ কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলৰ ভাল আচৰণ দৃঢ় কৰিবৰ বাবে পুৰস্কাৰ আৰু বেয়া অভ্যাস বা আচৰণসমূহ আতৰাবৰ বাবে শাস্তি প্ৰদানৰ ব্যৱস্থা কৰিব লাগিব। এই শাস্তি অৱশ্যে মৌখিক বিধৰহে হোৱা উচিত।

(গ) **শিক্ষণোত্তৰ স্তৰ (Post-Active Stage) ঃ** শিক্ষাদানৰ অন্তিম স্তৰটোৱেই হৈছে শিক্ষণোত্তৰ স্তৰ। শিক্ষণোত্তৰ স্তৰক মূল্যায়নৰ স্তৰ বুলিও কোৱা হয়। শিক্ষণীয় বিষয়বস্তুবোৰৰ ওপৰত এই স্তৰত শিক্ষাৰ্থীসকলক বিভিন্ন ধৰণৰ প্ৰশ্ন সোধা হয়। ছাত্ৰ-ছাত্ৰীয়ে প্ৰদান কৰা প্ৰতিক্ৰিয়াৰ পৰা শিক্ষাদানৰ সফল বা বিফলতাৰ সম্পৰ্কে ধাৰণা কৰি ল'ব পাৰি। শিক্ষাৰ্থীসকলৰ আচৰণৰ বাঞ্ছিত পৰিৱৰ্তন নহ'লে এই স্তৰত শিক্ষকে শিক্ষাদানৰ পদ্ধতিও সংস্কাৰ কৰিব লাগে। শিক্ষাদানৰ এই স্তৰত মানিবলগা বিশেষ কাৰ্য বা দিশসমূহ হ'ল—

(১) **শিক্ষাদান প্ৰক্ৰিয়াৰ সহায়ত পৰিৱৰ্তন সাধিত হোৱা প্ৰকৃত দিশসমূহ পৰ্যালোচনা কৰিব (To Observe the Exact Dimensions of Changes Caused by Teaching) ঃ** শিক্ষাদানৰ এই স্তৰত ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰৱেশ আচৰণৰ কিমান পৰিমাণৰ পৰিৱৰ্তন সাধন হৈছে তাক মূল্যায়ন কৰা বস্তুনিষ্ঠ মূল্যায়নৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ আচৰণৰ বাঞ্ছিত পৰিৱৰ্তন সাধনত সহায়ক হয়।

(২) **নিৰ্ভৰযোগ্য পৰীক্ষণ ব্যৱস্থা স্থিৰকৰণ (Determining Reliable**

Scanned with OKEN Scanner

Testing Device) : এই স্তৰত শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলৰ মূল্যায়নৰ বাবে এক নির্ভৰযোগ্য অভীক্ষা প্ৰস্তুত কৰিব লাগে। অভীক্ষাসমূহৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰৱেশ আচৰণৰ পৰিবৰ্তন সম্পৰ্কেও মূল্যায়ন কৰা হয় আৰু ইয়াৰ ফলাফলসমূহ লিপিবদ্ধ কৰা হয়।

(৩) সংগৃহীত ফলাফলৰ ভিত্তিত শিক্ষাদানৰ কৌশলসমূহৰ সংশোধন আৰু উন্নতি সাধন (**Modification and Development of the Teaching Strategy on the Basis of Gathered Result**) : শিক্ষাদানৰ এই স্তৰত শিক্ষকসকলে মূল্যায়নৰ আধাৰত তেওঁলোকৰ দুৰ্বলতা আৰু অকৃতকাৰ্যতাৰ কাৰণসমূহ বিশ্লেষণ কৰিব লাগে। মূল্যায়নৰ ওপৰত ভিত্তি কৰি শিক্ষকে এই স্তৰত শিক্ষাদানৰ কৌশলৰ পৰিবৰ্তন সাধন কৰি নতুন নতুন কৌশলৰ প্ৰয়োগ কৰিব।